**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-March-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১।	বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলৰ নিৰ্বাচনী তৎপৰতা অব্যাহত। মাৰ্ঘেৰিটা, ডিগবৈ, মাকুম সমষ্টিক সামৰি আজি বিজেপিৰ জন আশীৰ্বাদ যাত্ৰা।

২।	ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী, উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতু আজি লঘু যানবাহনৰ চলাচলৰ বাবে মুকলি।

৩।	আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ উদ্যোগত দেশজুৰি অস্মিতা লীগৰ আয়োজন।

৪।	বিগত ৫ বছৰত চাৰিশ ৩৩ কোটি টকাৰে ৰাজ্যৰ ২২ হাজাৰ ৯২৩ টা নামঘৰ আৰু মন্দিৰৰ আন্তঃগাঁথনিৰ উন্নয়ন।

*আৰু*

৫।	টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি  আহমেদাবাদত ভাৰত নিউজিলেণ্ডৰ মুখামুখি।

০০০০০০

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যত ৰাজনৈতিক দলসমূহে নিৰ্বাচনী তৎপৰতা অব্যাহত ৰাখিছে। বিজেপিয়ে জন আশীৰ্বাদ যাত্ৰাৰ জৰিয়তে জনতাৰ কাষ চপাৰ চেষ্টা কৰাৰ সমান্তৰালকৈ বিৰোধী দল কংগ্ৰেছে সময় পৰিৱৰ্তন যাত্ৰাৰ জৰিয়তে ভোটাদাতাক আকৰ্ষণৰ বাবে চেষ্টা চলাইছে। বিজেপিয়ে জন আশীৰ্বাদ যাত্ৰাৰ সপ্তম দিনত আজি মাৰ্ঘেৰিটা, ডিগবৈ আৰু মাকুম সমষ্টিক সামৰি ল'ব। এই যাত্ৰাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰিব। কালি মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নেতৃত্বত শাসকীয় দলটোৱে গোলাঘাট জিলাৰ সৰুপথাৰ, গোলাঘাট, খুমটাই আৰু দেৰগাঁও সমষ্টিক সামৰি জন আশীৰ্বাদ যাত্ৰা কৰে। সৰুপথাৰৰ পৰা আৰম্ভ হোৱা এই যাত্ৰাত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, সাংসদ কামাখ্যা প্ৰসাদ তাছা, সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকন আদিয়েও অংশগ্ৰহণ কৰে। বিয়লি মেৰাপানীৰ ৰংগস্থলীত অনুষ্ঠিত এখন জনসভাত মুখ্যমন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰে।

প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে কালি যোৰহাটত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সাংসদগৰাকীয়ে যোৰহাট লোকসভা সমষ্টিত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে জনসাধাৰণৰ সৈতে মত বিনিময় কৰে।

ইপিনে, ওদালগুৰিত কালি বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে দিছপুৰ চলো যাত্ৰাত অংশগ্ৰহণ কৰে। যোৱা ২৫ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱা দিছপুৰ চলো যাত্ৰা কালি তামুলপুৰত উপস্থিত হয়।

০০০০০০

ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতুখন আজি লঘু যান-বাহনৰ চলাচলৰ বাবে মুকলি কৰা হ'ব। ৩ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে  নিৰ্মাণ কৰি উলিওৱা এই ১ দশমিক ২-৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দলংখনে উত্তৰ-গুৱাহাটীত থকা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান তথা সাংস্কৃতিক স্থানসমূহলৈ যাতায়াত সুচল কৰি তোলাৰ লগতে উত্তৰ গুৱাহাটীক মহানগৰ হিচাপে গঢ়ি তোলাত বিশেষ ভূমিকা

পালন কৰিব। উল্লেখযোগ্য যে যোৱা ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দলংখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰাৰ পাছত পদচাৰীসকলৰ বাবে মুকলি কৰি দিয়া হৈছিল।

০০০০০০

স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে কালি ইউ উইন প'ৰ্টেলৰ জৰিয়তে ২ লাখ শিশুক প্ৰতিষেধক প্ৰদানৰ ডিজিটেল প্ৰমাণপত্ৰ বিতৰণৰ শুভাৰম্ভ কৰে। এই উপলক্ষে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত আয়োজিত অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডিজিটেল ইণ্ডিয়া পদক্ষেপৰ অংশ হিচাপে এই গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হৈছে। ইউ উইনৰ জৰিয়তে প্ৰতিষেধক প্ৰদানৰ প্ৰমাণপত্ৰ প্ৰদান কৰা অসম প্ৰথমখন ৰাজ্য বুলি শ্ৰী সিংহালে প্ৰকাশ কৰে। তেওঁ অসমৰ প্ৰায় ৩০ হাজাৰ আশাকৰ্মী আৰু প্ৰতিষেধক প্ৰদানৰ সৈতে জড়িত লোকসকলক এই কাম সম্পন্ন কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। ম'বাইল নেটৱৰ্কৰ অসুবিধা থকা দূৰণিবটীয়া অঞ্চলত ইউ উইন চলোৱা অনলাইন তথ্য সংগ্ৰহ কৰাকে ধৰি বিভিন্ন কাম-কাজ সফলতাৰে কৰাৰ বাবে মন্ত্ৰীগৰাকীয়ে সকলোৰে শলাগ লয়। ইউ উইনৰ জৰিয়তে এতিয়া মাতৃসকলে যিকোনো ঠাইতে নিজৰ শিশুটিক সহজে প্ৰতিষেধক প্ৰদান কৰিব পাৰিব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

বাইট

০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস। এই দিনটোতে ৰাষ্ট্ৰীয়, জাতিগত, ভাষিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সীমাৰ পৰিধি নেওচি মহিলাসকলক তেওঁলোকৰ সাফল্যৰ বাবে সন্মান জনোৱা হয়। এই বছৰৰ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ বিষয়বস্তু হৈছে- GIVE TO GAIN অৰ্থাৎ দিয়া আৰু লাভ কৰা। এই বিষয়বস্তুৰ জৰিয়তে সৰ্বাত্মক বিকাশ আৰু অংশগ্ৰহণৰ দ্বাৰা পাৰস্পৰিক সাহচৰ্যৰ জৰিয়তে মহিলাসকলৰ সৱলীকৰণ নিশ্চিত কৰিবলৈ প্ৰয়াস কৰা হৈছে। সমাজৰ প্ৰতিটো কামত সক্ৰিয় অংশগ্ৰহণ আৰু অংশীদাৰিত্বৰে মহিলাসকল স্বাৱলম্বী আৰু শক্তিশালী হোৱাৰ ওপৰতো এই বিষয়বস্তুৰে গুৰুত্ব আৰোপ কৰিছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে নাৰী সমাজক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে সহনশীলতা আৰু স্বপ্নৰে দেশ গঢ়ি তোলা প্ৰতিগৰাকী নাৰীলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই দিৱস উপলক্ষে আজি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ঠায়ে ঠায়ে মহিলাসকলৰ মাজত সজাগতামূলক আলোচনা, প্ৰতিযোগিতা, স্বাস্থ্য শিবিৰ আদিৰ আয়োজন কৰা হৈছে। দিৱসৰ সৈতে সংগতি ৰাখি কোকৰাঝাৰ বালিকা মহাবিদ্যালয়ত কালি বেটী বচাও, বেটী পঢ়াও অভিযানৰ অংশ হিচাপে মহিলা সবলীকৰণৰ কাৰ্যসূচী অনুষ্ঠিত হয়। চিৰাং জিলা সমাজ কল্যাণ বিভাগে নাৰী দিৱসৰ সৈতে সংগতি ৰাখি কালি জিলাখনৰ কাশীকোত্ৰাত বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত জিলাখনৰ আয়ুক্ত যতীন বৰা, জিলা গ্ৰামোন্নয়ন প্ৰকল্প সঞ্চালক অৰবিন্দ ৰাভাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

আন্তৰ্জাতিক নাৰী দিৱসৰ সৈতে সংগতি ৰাখি যোৱানিশা আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত **সংবাদ ক্ষেত্ৰত নাৰী, প্ৰত্যাহ্বান আৰু প্ৰত্যাশা** শীৰ্ষক এটি আলোচনা প্ৰচাৰ কৰা হয়। অনুষ্ঠানত সাংবাদিক সুস্মিতা গোস্বামী, অৰুণিমা কলিতা আৰু ভিডিঅ' সাংবাদিক মল্লিকা কলিতাই সংবাদ ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰত্যাহ্বান আৰু এই সমস্যাসমূহ নেওচি কিদৰে আগবাঢ়ি যাব পাৰে সেই বিষয়ে অৱগত কৰে।

০০০০০০

আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে আজি যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে দেশজুৰি অস্মিতা লীগৰ আয়োজন কৰিছে। ইয়াৰ জৰিয়তে তৃণমূল পৰ্যায়ৰ মহিলা এথলিটসকলক এখন প্ৰতিযোগিতামূলক মঞ্চ প্ৰদান কৰি মহিলা সৱলীকৰণৰ লক্ষ্য লোৱা হৈছে। এই লীগৰ জৰিয়তে সমাগত দিনবোৰত দেশত ক্ৰীড়া সংস্কৃতি গঢ়ি তুলিবলৈ আৰু

শক্তিশালী কৰি তুলিবলৈ  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্বপ্নক বাস্তৱায়িত কৰা হ'ব। এই প্ৰতিযোগিতা ছোৱালীবোৰৰ বাবে মুঠ তিনিটা শাখাত অনুষ্ঠিত হ'ব। ১৩ বছৰ, ১৩ৰ পৰা ১৮ বছৰৰ ভিতৰত আৰু ১৮ৰ বছৰৰ উৰ্ধ- এই তিনিটা শাখাত এথলিটসকলে ক্ৰমে ১০০ মিটাৰ, ২০০ মিটাৰ আৰু ৪০০ মিটাৰৰ দৌৰত অংশগ্ৰহণ কৰিব। গ্ৰামাঞ্চল আৰু সৰু চহৰৰ ছোৱালীসকলক ক্ৰীড়াক কেৰিয়াৰ হিচাপে লোৱাৰ বাবে উৎসাহিত কৰাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

অসমৰো বিভিন্ন স্থানত আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ লগত সংগতি ৰাখি অস্মিতা শীৰ্ষক লীগ আৰু অন্যান্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰ জিলা ক্ৰীড়া বিষয়া কাৰ্য্যালয় আৰু মাই ভাৰতৰ জিলা যুৱ বিষয়াৰ যৌথ উদ্যোগত এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক পিয়লি ফুকন ষ্টেডিয়ামত পুৱাৰে পৰা বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। মাই ভাৰত কেন্দ্ৰ গোৱালপাৰাৰ সহযোগত দুধনৈ হাইস্কুল খেলপথাৰতো অস্মিতা লীগৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড় জিলাৰ টিংখাং উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অস্মিতা লীগৰ বিভিন্ন প্ৰতিযোগিতাৰ লগতে পৰম্পৰাগত খেলসমূহো অনুষ্ঠিত হৈছে।

০০০০০০

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত ন্যায়াধীশ সৌমিত্ৰ শইকীয়া নেতৃত্বাধীন ন্যায়িক আয়োগৰ সন্মুখত কালি শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গ আৰু ভগ্নী পামী বৰঠাকুৰে সাক্ষ্য দিয়ে। আয়োগে বিচৰা অনুসৰি শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গে কেতবোৰ কিতাপ আৰু বেংকৰ তথ্যও দাখিল কৰে।

বাইট (গৰিমা)

০০০০০০

বিগত পাঁচ বছৰত ৰাজ্যৰ প্ৰায় ২২ হাজাৰ ৯২৩ টা নামঘৰ আৰু মন্দিৰৰ আন্তঃগাঁথনিৰ উন্নয়ন কৰা হৈছে। ইয়াৰ বাবে ৰাজ্য চৰকাৰে চাৰিশ ৩৩ কোটি টকাতকৈ অধিক ধন ব্যয় কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয়, যে অসমৰ বাসিন্দাসকল স্বভাৱগতভাৱে সামাজিক আৰু আধ্যাত্মিক মনোভাবৰ। সেয়ে ৰাজ্য চৰকাৰে ৰাজ্যৰ আধ্যাত্মিক আৰু উপাসনা স্থলীসমূহৰ উন্নয়ন সাধনৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি তেওঁ কয়।

০০০০০০

অসম চৰকাৰৰ প্ৰতিটো বিভাগত এতিয়াৰে পৰা মহিলা কৰ্মচাৰী সকলৰ সুৰক্ষাৰ বাবে She box উপলব্ধ হ'ব। ইয়াৰ জৰিয়তে মহিলা কৰ্মচাৰী সকলে কাৰ্য্যালয়ত সন্মুখীন হোৱা নিৰ্যাতনৰ ঘটনাৰ অভিযোগ ততালিকে দিব পাৰিব। নিজৰ পৰিচয় ৰাজহুৱা নকৰাকৈ ভুক্তভোগীয়ে অনলাইনৰ জৰিয়তে অভিযোগ দিব পাৰিব। প্ৰতিটো বিভাগত এই বক্স থকাটো বাধ্যতামূলক কৰা হৈছে। অসম অসামৰিক সেৱাৰ বিষয়া হেমাশ্ৰী হাজৰিকাক এই পদক্ষেপৰ দায়িত্ব অৰ্পন কৰা হৈছে। She box ত মহিলা সকলে কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতনৰ বিৰুদ্ধে বিভাগক অৱগত কৰিব পাৰিব। অসমীয়া, বঙালী আৰু বড়ো ভাষাত কৰ্মচাৰীসকলে অভিযোগ দাখিল কৰিব পাৰিব। পূৰ্বতে কেন্দ্ৰীয় চৰকাৰৰ বিভাগসমূহত She box ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। কিন্তু অসমত এই ব্যৱস্থা প্ৰৱৰ্তন কৰা হোৱা নাছিল। যৌন নিৰ্যাতন প্ৰতিৰোধী আইন ২০১৩ৰ অধীনত প্ৰৱৰ্তন কৰা এই ব্যৱস্থাৰ জৰিয়তে অভিযোগকাৰীয়ে নিজৰ অভিযোগ সন্দৰ্ভত স্থিতিও জানিব পাৰিব।

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত টিংখং বিধানসভা সমষ্টিত এটা অতিথিশালা আৰু পুথিভঁৰাল গৃহ উদ্বোধন কৰে। ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষৰ ৰাজ্যসভাৰ সাংসদ পুঁজিৰ ১৫ লাখ টকা ব্যয়েৰে এই প্ৰকল্পৰ নিৰ্মাণ কৰা হৈছে। এই প্ৰকল্পই ৰাইজক উপকৃত কৰাৰ লগতে বৌদ্ধিক উৎকৰ্ষ সাধনত সহায় কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

অনুষ্ঠানত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, অসম পৰ্যটন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। এই অনুষ্ঠান সন্দৰ্ভত মন্ত্ৰী শ্ৰী বৰাই কয়, যে এই পদক্ষেপে গুৰুজনাৰ অপূৰ্ব সৃষ্টি নামঘৰৰ সামাজিক, সাংস্কৃতিক পৰিৱেশ শক্তিশালী কৰাৰ লগতে অঞ্চলটোৰ ৰাইজৰ মাজত শিক্ষা আৰু আধ্যাত্মিক চেতনা বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। তদুপৰি এই প্ৰকল্পসমূহে অঞ্চলটোৰ সামগ্ৰিক অগ্ৰগতি ত্বৰান্বিত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি  আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। টি-২০ বিশ্বকাপত ভাৰতে চতুৰ্থবাৰলৈ ফাইনেলত অৱতীৰ্ণ হ'ব আৰু দলটোৱে তৃতীয়বাৰলৈ খিতাপ দখলৰ অভিলেখ ভংগ কৰাৰ লক্ষ্য লৈছে। আনহাতে নিউজিলেণ্ড দলটোৱে টি-২০ বিশ্বকাপৰ ফাইনেলত ট্ৰফী দখলৰ লক্ষ্যৰে দ্বিতীয়বাৰলৈ অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটোৱে যোৱা বৃহস্পতিবাৰে ইংলেণ্ডৰ বিৰুদ্ধে ৰোমাঞ্চকৰ ছেমি ফাইনেলত ৭ ৰানত জয়লাভ কৰে। একেদৰে আন এখন ছেমি ফাইনেলত নিউজিলেণ্ডে ফিন এলেনৰ দ্ৰুততম শতকেৰে দক্ষিণ আফ্ৰিকাক ৯ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০০

NPR

আন্তৰ্জাতিক নাৰী দিৱস, ইৰাণ-আমেৰিকা-ইজৰাইলৰ সংঘাত আদি বাতৰিসমূহ আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দেশত কালিৰেপৰা ঘৰুৱা আৰু বাণিজ্যিক দুয়োবিধ ৰন্ধন গেছৰ চিলিণ্ডাৰৰ দাম বৃদ্ধি পাইছে। ইৰাণৰ বিৰুদ্ধে ইজৰাইল-আমেৰিকাৰ যুদ্ধৰ পৰিপ্ৰেক্ষিতত এই দাম বৃদ্ধি হোৱা বুলি **দৈনিক অসম** কাকতত প্ৰকাশ পাইছে।

ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেছখিয়ানে আৰৱ ৰাষ্ট্ৰসমূহলৈ ক্ষেপনাস্ত্ৰ আৰু ড্ৰোণ উৰি যোৱা সময়ত আক্ৰমণৰ প্ৰভাৱ চুবুৰীয়া ৰাষ্ট্ৰসমূহত পৰা বাবে ক্ষমা বিচাৰিছে এই বাতৰি **দি আছাম ট্ৰিবিউন** কাকতৰ।

চলিত বিত্তীয় বৰ্ষত ধাৰ্য লক্ষ্যৰ ৫০ শতাংশ পথো ৰাজ্যত নিৰ্মাণ সমাপ্ত নহ'ল। এই বাতৰি **দৈনিক অগ্ৰদূত** কাকতৰ।

গুৱাহাটী উচ্চ ন্যায়ালয়ে বিধায়ক আৰু সাংসদসকলৰ বিৰুদ্ধে ৰুজু হৈ থকা গোচৰৰ পুনৰ তালিকা কৰাৰ নিৰ্দেশ দিছে। এই বাতৰি **দা ছেণ্টিনেল** কাকতৰ।

**অসমীয়া প্ৰতিদিন** কাকতত এ পি চি চিৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈক যোৰহাটত উপস্থিত হোৱাৰ পাছতে ভালেসংখ্যক লোকে আদৰণি জনোৱাৰ এটা বাতৰি প্ৰকাশ পাইছে।

আমেৰিকাই ইৰাণক চৰ্তহীন আত্মসমৰ্পণৰ ভাবুকি দিছে। বাতৰিটো **আমাৰ অসম** কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

কৰ্মস্থলীত মহিলা কৰ্মচাৰীক নিৰ্যাতনৰ বিৰুদ্ধে চৰকাৰী কাৰ্যালয়সমূহৰ বিভাগে বিভাগে SHE BOX-ৰ ব্যৱস্থা কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতত এই বাতৰি প্ৰকাশ পাইছে।

বিভিন্ন ক্ষেত্ৰৰ পৰিচিত ৯গৰাকী নাৰীক প্ৰাগ প্ৰেৰণা সন্মান-২০২৬ আগবঢ়োৱা হৈছে। **দৈনিক জনমভূমি** কাকতে আলোকচিত্ৰসহ এই বাতৰি প্ৰকাশ কৰিছে।

**অসমীয়া খবৰ** কাকতে দুদিনীয়া কাৰ্যসূচীৰে অহা ১৩-১৪ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ এটা বাতৰি প্ৰকাশ কৰিছে।

০০০০০০

কাছাৰ জিলাৰ চন্দ্ৰনাথপুৰ ৰে'ল ষ্টেচনত আগৰতলা এছ এম ভি টি বেংগালুৰু -আগৰতলা হামচফৰ এক্সপেছ্ৰ নতুন ষ্টপেজ কালি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। এই কাৰ্যসূচীত শিলচৰৰ সাংসদ পৰিমল শুক্লবৈদ্য উপস্থিত থাকে। শ্ৰী শুক্লবৈদ্যই কাৰ্যসূচীত অংশ লৈ দিয়া ভাষণত ভাংগাৰপাৰ, চন্দ্ৰনাথপুৰকে ধৰি শিলচৰৰ বিস্তৃত এলেকা ৰাইজৰ বাবে দীৰ্ঘ দূৰত্বৰ ৰে'ল যাত্ৰা সুচল হৈ উঠিব বুলি আশা প্ৰকাশ কৰে। এই পদক্ষেপে বৰাক উপত্যাকৰ ৰে'ল সংযোগ শক্তিশালী কৰাৰ লগতে বাণিজ্যিক কাৰ্যকলাপ বৃদ্ধি কৰি সামগ্ৰিক উন্নয়নৰ নতুন অধ্যায়ৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

ইপিনে, ডিব্ৰুগড় জিলাৰ নাহৰকটীয়া ৰে'ল ষ্টেচনত কালিৰে পৰা ডিব্ৰুগড়- লালগড় অৱধ অসম এক্সপেছ ৰে'লখনৰ ষ্টপেজ উদ্বোধন কৰা হয়। ৰে'ল বিভাগৰ বিষয়াৰ সৈতে বিধায়ক তৰংগ গগৈয়ে পতাকা জোকাৰি ৰে'লখনৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। এই ব্যৱস্থাই নাহৰকটীয়া সমষ্টিৰ ৰাইজৰ দীৰ্ঘদিনীয়া দাবী পূৰণ কৰাৰ লগতে যাতায়ত ব্যৱস্থা সুচল কৰি তুলিব বুলি বিধায়কগৰাকীয়ে আশা প্ৰকাশ কৰে।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম আৰু মিজোৰামৰ কিছু কিছু অঞ্চলত পাতলীয়া বৰষুণ আৰু অৰুণাচল, নাগালেণ্ড, মণিপুৰৰ, মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**সমাপ্ত**